জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৩২/২০২১**

# ডিব্ৰুগড়ত মেধাৱী ছাত্ৰীৰ মাজত বিনামূলীয়া স্কুটী বিতৰণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## ৰাজ্যখনত এক সুস্থ শৈক্ষিক পৰিৱেশ নিৰ্মাণৰ বাবে চৰকাৰ, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু পিতৃ-মাতৃসকলে সন্মিলিতভাৱে প্ৰয়াস চলাব লাগিব ঃ মুখ্যমন্ত্ৰী

## এই স্কুটীসমূহ সাধাৰণ স্কুটী নহয়, সফলতাৰ এক উজ্জ্বল প্ৰতিচ্ছৱি ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৬ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত ডিব্ৰুগড়ৰ চাউলখোৱাত আয়োজিত এক অনুষ্ঠানত ২০২০ বৰ্ষত ডিব্ৰুগড়ৰৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা সৰ্বমুঠ ১২৭৮ গৰাকী মেধাৱী ছাত্ৰীৰ মাজত প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত ড° বাণীকান্ত কাকতি মেধা বঁটাৰ অংশ হিচাপে বিনামূলীয়া স্কুটী বিতৰণ কৰে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই অনুষ্ঠানৰ মূল লক্ষ্য হৈছে ছাত্ৰীসকলক শিক্ষাৰ দিশত আগুৱাই যোৱাৰ বাবে অনুপ্ৰেৰণা প্ৰদান কৰা। ছাত্ৰীসকলক যদি উপযুক্ত নেতৃত্ব প্ৰদানেৰে শিক্ষা দিব পৰা যায় তেতিয়া হ'লে ভৱিষ্যতে তেওঁলোকে একো একো গৰাকী সফল নাগৰিক হিচাপে সমাজক নেতৃত্ব প্ৰদান কৰিব সক্ষম হ'ব। একবিংশ শতিকাক বিজ্ঞান আৰু প্ৰযুক্তিৰ শতিকা বুলি উল্লেখ কৰি বিজ্ঞান আৰু প্ৰযুক্তিৰ নিত্য-নতুন আবিষ্কাৰে মানুহৰ আশা-আকাংক্ষা দিনক দিনে বৃদ্ধি কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বিজ্ঞান আৰু প্ৰযুক্তিয়ে সাম্প্ৰতিক সময়ত প্ৰতিযোগিতাৰ মাত্ৰা বৃদ্ধি কৰিছে। সেয়েহে এই পৰিৱৰ্তীত পৰিস্থিতিৰ সৈতে খাপ খাব পৰাকৈ উঠি অহা প্ৰজন্মক একো একোগৰাকী যোগ্য আৰু পাকৈত ব্যক্তি হিচাপে গঢ় দিব লাগিব বুলিও তেওঁ কয়।

চৰকাৰৰ তৰফৰ পৰা শিক্ষাৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ বাবে বহু সংখ্যক গুৰুত্বপূৰ্ণ পদক্ষেপ লৈ থকা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কেৱল আন্তঃগাঁথনি শক্তিশালী হ'লে শিক্ষাৰ উন্নতি নহ'ব। ছাত্ৰ-ছাত্ৰীসকলে একান্তচিত্তে অধ্যয়নত ব্ৰতী হ'লেহে শিক্ষাৰ উন্নতি হ'ব। ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ প্ৰতি ধাউতি বৃদ্ধি কৰাৰ দিশত শিক্ষক-শিক্ষয়িত্ৰী আৰু পিত-মাতৃসকলে প্ৰধান ভূমিকা ল'ব লাগিব বুলিও তেওঁ কয়। তেনে পদক্ষেপ ল'লেহে আমাৰ মানৰ সম্পদে বিশ্ব দৰবাৰত জিলিকি উঠিবলৈ সক্ষম হ'ব বুলিও তেওঁ দোহাৰে। ছাত্ৰ-ছাত্ৰীসকলৰ সৱলতা আৰু দুৰ্বলতা সমূহ ভালদৰে অনুধাৱন কৰি তেওঁলোকক

সঠিক দিশেৰে আগুৱাই নিয়াৰ দিশত শিক্ষক-শিক্ষয়িত্ৰী আৰু পিতৃ-মাতৃসকলে নিষ্ঠাৰে নিজৰ কৰ্তব্য পালন কৰি যাব লাগিব বুলিও তেওঁ কয়।

পূৰ্বৰ চৰকাৰৰ দিনত সংঘটিত দুৰ্নীতি, ভ্ৰষ্টাচাৰ আৰু অপশাসনৰ সংস্কাৰৰ বাবে বৰ্তমানৰ চৰকাৰখনে দৃঢ়তাৰে পদক্ষেপ লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। দুৰ্নীতিৰ বিৰুদ্ধে শক্তিশালী ব্যৱস্থা লোৱাৰ ফলত আজি সমগ্ৰ ৰাজ্যখনতে উন্নয়নৰ এক ইতিবাচক পৰিৱেশৰ সৃষ্টি হৈছে। উঠি অহা ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ বাবেই চৰকাৰখনে ব্যৱস্থাটোৰ আমূল সংস্কাৰ সাধনৰ দিশত শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছে। শাসন ব্যৱস্থা সঠিকভাৱে পৰিচালিত হ'লেহে সেই শাসন ব্যৱস্থাৰ জৰিয়তে জনসাধাৰণে মৌলিক অধিকাৰ ভোগ কৰাৰ এক শক্তিশালী বাতাবৰণৰ সৃষ্টি কৰিব পাৰে। তেনে এক আদৰ্শৰে বৰ্তমানৰ চৰকাৰখনে আৰম্ভণিৰে পৰা প্ৰশাসন ব্যৱস্থাটোক স্বচ্ছ আৰু নিকা কৰাৰ বাবে নিষ্ঠাসহকাৰে কাম কৰি আহিছে বুলিও তেওঁ উল্লেখ কৰে। অসমৰ বুকুত শান্তি প্ৰতিষ্ঠাৰ বাবে অহৰহ প্ৰয়াস চলাই থকা হৈছে বুলি উল্লেখ কৰি বৰ্তমানৰ চৰকাৰখনে ৰাজ্যখনৰ সৰু-বৰ সকলো জাতি-জনেগাষ্ঠীৰ মাজত আস্থা বৃদ্ধিৰ বাবে পদক্ষেপ লোৱাৰ ফলত এই চৰকাৰৰ কাৰ্যকালত কোনো ধৰণৰ গোষ্ঠীগত সংঘৰ্ষ সংঘটিত হোৱা নাই বুলি তেওঁ কয়। শান্তি অবিহনে কৰ্ম সংস্কৃতি গঢ়ি তোলাটো সম্ভৱ নহয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এক সুস্থ শৈক্ষিক পৰিৱেশ গঢ়ি তোলাৰ দিশটো শান্তিপূৰ্ণ পৰিৱেশে ইতিবাচক প্ৰভাৱ পেলায়। অসমৰ জনসাধাৰণে ৰাজ্যখনত শান্তি প্ৰতিষ্ঠাৰ দিশত আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে মুখ্যমন্ত্ৰীয়ে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'এক্ট ইষ্ট পলিচি' ৰূপায়ণৰ পদক্ষেপেৰে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চললৈ এক অপূৰ্ব সুযোগ কঢ়িয়াই আনিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে অসমৰ মানৱ সম্পদে যাতে সমগ্ৰ দক্ষিণ পূৱ এছিয়াত প্ৰভূত্ব বিস্তাৰ কৰিব পাৰে সেইধৰণে আমি সন্মিলিত প্ৰয়াস চলাব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ড° বাণীকান্ত কাকতিৰ নামত এই বঁটা প্ৰদানেৰে ছাত্ৰীসকলক শিক্ষাৰ দিশত অধিক উদ্বুদ্ধ কৰিব বিচৰা হৈছে। এই বঁটাৰ জৰিয়তে প্ৰদান কৰা স্কুটীসমূহ কেৱল মাত্ৰ এখন সাধাৰণ স্কুটী নহয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই স্কুটীসমূহক এক সফলতাৰ প্ৰতীক বুলিও কয়। এই স্কুটীখন চলাওতে ছাত্ৰীসকলক শৃংখলাবদ্ধতা তথা গাড়ী চালনাৰ বিধি-বিধান সমূহ মানি চলাৰ বাবেও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'আত্মনিৰ্ভৰ ভাৰত' গঢ়ি তোলাৰ বাবে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই ছাত্ৰ-ছাত্ৰীকে ধৰি প্ৰতিজন নাগৰিককে নিষ্ঠাসহকাৰে নিজৰ কৰ্তব্য পালন কৰি ৰাষ্ট্ৰক শক্তিশালী কৰাৰ দিশত আত্মনিয়োগ কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। নিজৰ স্বাভিমান আৰু সন্মান বৃদ্ধি কৰাৰ বাবে আমি সকলো ক্ষেত্ৰতে স্বাৱলম্বী হ'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ক'ভিড-১৯ ৰভেকচিন আৱিষ্কাৰ কৰি আজি ইয়াক অভিযান আকাৰে টিকাকৰণৰ যি পদক্ষেপ লোৱা হ'ল ই আত্মনিৰ্ভৰ ভাৰত নিৰ্মাণৰ দিশত এক সৰল খোজ বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ক'ভিড-১৯ ৰ ভেকচিনৰ আৱিষ্কাৰ আৰু টিকাকৰণৰ বাবে লোৱা বলিষ্ঠ পদক্ষেপৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক মুখ্যমন্ত্ৰীয়ে অসমৰ জনসাধাৰণৰ হৈ ধন্যবাদ জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দৈনিক ১৮ ৰ পৰা ২০ ঘণ্টাকৈ দেশৰ জনসাধাৰণৰ বাবে পৰিশ্ৰম

কৰে বুলি উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীসকলকো এই কথা উপলব্ধি কৰি কঠোৰ পৰিশ্ৰমত ব্ৰতী হোৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। ছাত্ৰ-ছাত্ৰীসকলক দৈনিক অতিকমেও ১২ ঘন্টাকৈ অধ্যয়নত ব্ৰতী হৈ নিজৰ নাম উজলোৱাৰ লগতে দেশলৈ ভৱিষ্যতে অৰ্থৱহ সেৱা আগবঢ়োৱাৰ বাবে নিজক যোগ্য কৰি তুলিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। চৰকাৰ, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু মাতৃ-পিতৃসকলে অসমত এক সুস্থ শৈক্ষিক পৰিৱেশ নিৰ্মাণৰ দিশত সন্মিলিতভাৱে প্ৰয়াস চলাব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, বিধায়ক প্ৰশান্ত ফুকন আৰু ঋতুপৰ্ণ বৰুৱাইও ছাত্ৰীসকলক উদ্বুদ্ধ কৰি ভাষণ প্ৰদান কৰে। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ৰঞ্জিত তামুলী, বিধায়কসকল ক্ৰমে বিনোদ হাজৰিকা, বিমল বৰা, তেৰছ গোৱালা, চক্ৰধৰ গগৈ, নৰেন সোণোৱাল, সোণোৱাল কছাৰী স্বায়িত্ত শাসিত পৰিষদৰ মুখ্যকাৰ্যবাহী সদস্য দিপুৰঞ্জন মাক্ৰাৰী, আচাম হাইড্ৰকাৰ্বন এণ্ড এনাৰ্জী কোম্পানী লিমিটেডৰ অধ্যক্ষ পোণাকন বৰুৱা,আচাম ষ্টেট হাউচিং বোৰ্ডৰ উপাধ্যক্ষ সুভাষ দত্ত, অচাম গেছ কোম্পানীৰ উপাধ্যক্ষ ইন্দ্ৰ গগৈ, জিলা উপায়ুক্ত পল্লৱ গোপাল ঝা, আৰক্ষী অধীক্ষক প্ৰতীক বিজয় থুৱে প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ / পুঃডেঃ**
**১৬/০১/২০২১**